## সপ্তম অধ্যায়

# আবৃত্তিত সুৰ আৰু সুৰ লহৰ

সুৰ ঘোষত্বৰ এটা গুণ বিশেষ। কণ্ঠস্থ স্বৰতন্ত্ৰীৰ স্পন্দনৰ ফলত যি সাঙ্গীতিক লহৰৰ (musical note) সৃষ্টি হয়, সেয়ে ঘোষত্ব (voice)। স্পন্দনৰ তীব্ৰতা অনুসৰি এই লহৰ উচ্চ বা নিম্ন হ'ব পাৰে। সাঙ্গীতিক লহৰ বা ঘোষত্বৰ উঠা-নমাকে সুৰ (pitch) বোলে। সঘোষ স্বৰধ্বনিৰ উচ্চাৰণত সুৰ শুনা যায়। সঘোষ অনিয়তাঘৃষ্ট অৰ্থাৎ উষ্ম ব্যঞ্জন ধ্বনিৰো সুৰ আছে। মাথো উচ্চাৰণ স্থানত ঘৰ্ষণ হোৱাৰ বাবে সেই সুৰ ভালদৰে ধৰিব নোৱাৰি। একেদৰে সঘোষ স্পৰ্শ ব্যঞ্জনৰো সুৰ ধৰিব নোৱাৰি।

সুৰ অনেক প্ৰকাৰৰ হ'ব পাৰে— উদাত্ত, অনুদাত্ত আৰু স্বৰিত।

স্বৰতন্ত্ৰীৰ স্পন্দন ক্ৰমে তীব্ৰ হৈ গৈ থাকিলে সুৰো উচ্চ হৈ গৈ থাকে এনে উচ্চ সুৰক উদাত্ত (High) বোলা হয়।

স্পন্দনৰ তীব্ৰতা কমিলে সুৰ নিম্ন হয়। তেতিয়া তাক অনুদাত্ত (Low) বোলা হয়।

উদাত্ত আৰু অনুদাত্ত সুৰৰ মাজত স্পন্দনৰ তীব্ৰতা থাকিলে তাকে স্বৰিত (Mid or Level) বোলে।

(অসমীয়া বৰ্ণ প্ৰকাশ গোলোকচন্দ্ৰ গোস্বামী)

উদাত্ত, অনুদাত্ত আৰু স্বৰিত, এই তিনিটাৰ পৰাই অনেক সুৰৰ সৃষ্টি হ'ব পাৰে। যেনে— উদাত্ত উন্নত (High rising) অৰ্থাৎ উদাত্ত সুৰ আৰু উৰ্ধ্বমুখী হয়। অনুদাত্ত উন্নত (Low rising) অৰ্থাৎ সুৰ নিম্ন কিন্তু উচ্চাভিমুখী হয়।

উন্নতানুদত্ত (Rising and falling) অৰ্থাৎ সুৰ উচ্চলৈ গৈ নিম্নাভিমুখী হয়।

আক্ষৰিক সুৰ ঃ সকলো ভাষাতে সঘোষ স্বৰধ্বনিয়ে সুৰ বহন কৰে। সেয়ে শব্দৰ প্ৰতিটো অক্ষৰতে একোটা আপেক্ষিক সুৰ পাব পাৰি। পৃথিৱীৰ ভালেমান ভাষাত শব্দৰ প্ৰত্যেক অক্ষৰৰ সুৰ বন্ধা থাকে নিৰ্দিষ্টভাৱে। অক্ষৰৰ এনে নিৰ্দিষ্ট সুৰৰ সলনি হ'লে শব্দৰ অৰ্থান্তৰ ঘটে অৰ্থাৎ সেইবোৰ ভাষাত সুৰ অক্ষৰটোৰ এটা অপৰিহাৰ্য অংগৰূপে প্ৰয়োগ হয়। অক্ষৰৰ এনে অপৰিহাৰ্য সুৰক আক্ষৰিক সুৰ বা Tone বোলা হয়। আক্ষৰিক সুৰযুক্ত ভাষাক সুৰীয়া ভাষা (Tone Language) বোলে।

অসমৰ সকলোবোৰ জনজাতীয় ভাষা উপ-ভাষাত আক্ষৰিক সুৰ আছে। ভাৰতীয় আৰ্য ভাষাবোৰৰ ভিতৰত পাঞ্জাবী আৰু বাংলা ভাষাত এই সুৰ পোৱা যায়। চীন-তীব্বতীয় সকলোবোৰ ভাষাত, আফ্রিকান আৰু আমেৰিকান ইণ্ডিয়ান ভাষাবোৰতো আক্ষৰিক সুৰৰ প্ৰয়োগ হয়।

সুৰীয়া ভাষা শিকিবলৈ হ'লে সুৰৰ জ্ঞান অপৰিহাৰ্য। সুৰৰ সম্যক ধাৰণা নহ'লে সুৰীয়া ভাষা কওঁতাই নিজকে বুজোৱাটো অসম্ভৱ— অৰ্থাৎ এটা কথা কওঁতে অৰ্থ অন্য এটা প্ৰকাশ পাব পাৰে।

সুৰ লহৰ ঃ সকলো ভাষাতে কথা কওঁতে এটা আপেক্ষিক সুৰৰ প্ৰয়োগ হয়। চীন, থাই, বড়ো, ত্ৰিপুৰী আদি ভাষাত শব্দৰ প্ৰত্যেক অক্ষৰত একোটা সুনিৰ্দিষ্ট সুৰ নিহিত হৈ থাকে। কিন্তু, ইংৰাজী, অসমীয়া, বাঙালী, হিন্দী অথবা তামিল, তেলুগু, আদি ভাষাবোৰত সুৰ শব্দ বা অক্ষৰৰ অবিচ্ছেদ্য অংগ নহয়; অৰ্থাৎ, সুৰৰ তাৰতম্য হ'লেও শব্দটো সম্পূৰ্ণ বেলেগ হৈ নপৰে। মাথোন সামান্যভাৱে অৰ্থৰ সলনি হয়। যেনে - অসমীয়াত 'অ',! অ?', 'অ!' নাইবা 'হয়', 'হয়?' আৰু 'হয়!'-ৰ ভাৱৰ সামান্য তাৰতম্য হ'লেও শব্দ দুটাৰ মূল অৰ্থৰ কোনো পৰিৱৰ্তন নহয়। ইংৰাজী ভাষাতো এনে উদাহৰণ পাব পাৰি।

অসমীয়া, ইংৰাজী আদি ভাষাত প্ৰত্যেক শব্দৰ বা অক্ষৰৰ সুৰলৈ লক্ষ্য নাৰাখি সমস্ত বাক্যটোৰ সুৰৰ প্ৰতিহে লক্ষ্য ৰখা হয়। সমস্ত বাক্যৰ যি সুৰ-সমষ্টি তাকে সুৰ-লহৰ (Intonation) বোলে। সুৰ, শ্বাসাঘাত আৰু সন্ধিৰ যৌগিক পৰিণতিয়েই সুৰ লহৰ।

সুৰ-লহৰৰ তাৰতম্যই বাক্যৰ তাৎপৰ্যৰ তাৰতম্য ঘটায়। উদাহৰণ স্বৰূপে এটা বাক্য দিয়া হ'ল।

'তুমি এতিয়া যোৱা।' এইটো এটা সাধাৰণ বাক্য। ইয়াত বিভিন্ন সুৰ লহৰ প্ৰয়োগ কৰি বেলেগ বেলেগ অৰ্থ বুজাব পাৰি।

'তুমি এতিয়া যোৱা।' এইটো এটা সাধাৰণ বাক্য। ইয়াত বিভিন্ন সুৰ লহৰ ব্যৱহাৰ কৰি বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰিব পাৰি।

(ক) 'তুমি এতিয়া যোৱা!' নিম্নগামী সুৰ আৰু সন্ধি। ই সাধাৰণ বিবৃতি বুজাইছে। অৰ্থাৎ, তুমি এতিয়া যাব পাৰা। এয়ে ইয়াৰ তাৎপৰ্য।

(খ) 'তুমি এতিয়া যোৱা;' উৰ্ধ্বগামী সন্ধি। সুৰো উদাত্ত উন্নত। ইয়াৰ অৰ্থ হ'ল - 'তুমি বৈ নাথাকিবা, যোৱাগৈ, তুমি বৈ থকাটো মই কামনা নকৰোঁ।"

(গ) 'তুমি এতিয়া যোৱা?' - ইয়াত স্বৰিত উন্নত সুৰ হৈছে। অৰ্থাৎ, 'তুমি এতিয়া যোৱা নেকি?' সাধাৰণভাৱে কৰা প্ৰশ্ন।

(ঘ) 'তুমি এতিয়া যোৱা!' নিম্ন-উন্নত আৰু ক্ষিপ্ৰ (Low with abrupt rising) অৰ্থাৎ 'তুমি যোৱাইনে? তুমি যাব খোজা দেখি আচৰিত হৈছোঁ!' ইত্যাদি।

## আবৃত্তিত সুৰ আৰু সুৰ লহৰৰ ভূমিকা

ঘোষত্ব অৰ্থাৎ কণ্ঠত স্বৰতন্ত্ৰীৰ স্পন্দনৰ ফলত সৃষ্টি হোৱা সাঙ্গীতিক লহৰৰ উঠা-নমাকে সুৰ বোলা হয়। সঘোষ স্বৰধ্বনিৰ উচ্চাৰণত সুৰ শুনা যায়। সুৰ কেইবাপ্ৰকাৰৰো হ'ব পাৰে। উদাত্ত (High), অনুদাত্ত (Low) আৰু স্বৰিত (Mid-level)। স্বৰতন্ত্ৰীয় স্পন্দন ক্ৰমে তীব্ৰ হৈ থাকিলে সুৰ ক্ৰমে উচ্চ হৈ থাকে। এনে উচ্চ সুৰক উদাত্ত সুৰ বোলে। সুৰ যেতিয়া লাহে লাহে তললৈ আহি নিম্ন হয় তেতিয়াই অনুদাত্ত সুৰ ধ্বনিত হয়। এই দুয়োটাৰ মাজত থাকিলে তাক কোৱা হয় স্বৰিত সুৰ। এই উদাত্ত, অনুদাত্ত আৰু স্বৰিত স্বৰৰ পৰাই আকৌ উদাত্ত উন্নত (High rising), অনুদাত্ত উন্নত আদি স্বৰ পোৱা যায়।

সুৰৰ লগত আবৃত্তিৰ এক নিবিড় সম্পৰ্ক বিৰাজমান। সুৰৰ বিষয়ে প্ৰকৃত জ্ঞানৰ অভাৱ হ'লে আবৃত্তি যথাযথ নহয়। কাৰণ পৃথিৱীত এনে কিছুমান ভাষা আছে যিবোৰত একোটা ধ্বনিতে সুৰৰ পৰিবৰ্তন ঘটে। ফলত বেলেগ বেলেগ অৰ্থ প্ৰকাশ হয়। উত্তৰ পূৰ্বাঞ্চলৰ জনজাতীয় ভাষাসমূহৰ সুৰ আছে। টাই ভাষাত 'কা' শব্দই 'মা' বুজায় আৰু ঘোঁৰা বুজায়। প্ৰথমটো উদাত্ত, পিছৰটো স্বৰিত।

সুৰ লহৰ হ'ল বাক্যত ব্যৱহৃত শব্দবোৰৰ সুৰ। ইয়াৰ পৰিবৰ্তনে ভাৱৰ পৰিবৰ্তন আনে। সুৰ লহৰ বুজাবলৈ ভাষাবিদ সকলে বিভিন্ন 'কূট' চিহ্ন প্ৰয়োগ কৰে যদিও উচ্চাৰণৰ সুৰতে ইয়াৰ প্ৰকৃতাৰ্থ বুজি পাব পাৰি। যেনে—

(১) তুমি যোৱা। (অনুৰোধসূচক)

(২) তুমি যোৱা? (প্ৰশ্নবোধক)

(৩) তুমি যোৱা! (আশ্চৰ্যবোধক)

(৪) তুমি যোৱা; (অৰ্থাৎ তুমি যাব নালাগিছিল যদিও যাব বিচাৰিছা যদি যোৱা)।

ওপৰত উল্লিখিত বাক্যটোৰ পৰাই আমি হৃদয়ঙ্গম কৰিব পাৰোঁ যে সুৰ লহৰে কেনেদৰে একেটা বাক্যৰ একে সময়তে ভিন্ন অৰ্থ প্ৰকাশ কৰে।

আবৃত্তিকাৰেও আবৃত্তিত সুৰ প্ৰয়োগৰ দ্বাৰাই বুজাব পাৰিব লাগিব বাক্য এটাৰ

অন্তর্নিহিত অর্থক। আদেশ, অনুৰোধ বা প্রশ্ন যিয়েই নহওক লাগে। কবিতা এটাক পুনঃ পুনঃ অধ্যয়নৰ দ্বাৰাহে আবৃত্তিকাৰসকলে কবিতাৰ প্রকৃত সুৰ উপলব্ধি কৰিব পাৰে। এটা কবিতাই বিভিন্ন স্বৰ বহন কৰিব পাৰে। এই স্বৰ নিক্ষেপণৰ বাবে আবৃত্তিকাৰে স্বৰজ্ঞান উপলব্ধি কৰি প্রকৃত সুৰ প্রয়োগেই হ'ল সুৰ লহৰৰ ভূমিকা।

## আবৃত্তিত শব্দস্খলনৰ প্ৰভাৱ

শ্বাস-প্রশ্বাস নিয়ন্ত্রণ আবৃত্তিকাৰৰ বাবে অতি প্রয়োজনীয় কথা। শ্বাস-প্রশ্বাস নিয়ন্ত্রণ কৰি আবৃত্তি কৰিলেহে আবৃত্তি শ্রুতিমধুৰ আৰু অর্থবহ হয়। যদিহে উশাহ-নিশাহৰ নিয়ন্ত্রণ নাথাকে বাক্যৰ শেষৰ শব্দৰ অপমৃত্যু ঘটে, যাৰ ফলত অর্থৰ ভাবেই মাথোঁ নহয়-আবৃত্তিৰ সৌন্দর্য, বাক্যৰ ৰসভঙ্গ হোৱাৰ উপৰিও শ্রুতি মাধুর্য ম্লান পৰে। ই শ্ৰোতাক আনন্দ প্রদানৰ বিপৰীতে বিৰক্তিহে দিয়ে। বাক্যৰ শেষৰ শব্দ স্পষ্টভাৱে উচ্চাৰিত নহৈ লীন হৈ যোৱাকে শব্দ স্খলন (Tail dropping) বোলে। যি আবৃত্তি কৰা কবিতাৰ প্রকৃত ৰস, ভাৱ আদিৰ উপলব্ধিৰ পৰা শ্ৰোতাক বঞ্চিত কৰে।

আবৃত্তিত শব্দ-স্খলনৰ প্ৰভাৱ ৰোধ কৰিবলৈ হ'লে - আবৃত্তিকাৰে কিছুমান কথাৰ প্ৰতি সচেতন হোৱা প্রয়োজন।

১। আবৃত্তিকাৰে প্রতিটো বাক্য প্রক্ষেপণ কৰাৰ আগতেই সম্পূর্ণ উশাহ গ্রহণ কৰি ল'ব লাগে।

২। সেই একে উশাহকে নিয়ন্ত্রণত ৰাখি প্রতিটো শাৰীৰ শেষৰ শব্দটিলৈকে উচ্চাৰণ কৰিব লাগে।

৩। শব্দৰ ওপৰত নিখুঁত চাপৰ সৃষ্টিত সহায় কৰিব লাগে।

৪। আবৃত্তিকাৰে সুৰৰ গতি, লয় ৰক্ষা কৰাৰ অভ্যাস গঢ়ি তোলা একান্ত প্রয়োজন।

## শ্বাস-প্রশ্বাসৰ লগত অর্থ প্রকাশ তথা আবৃত্তিৰ সম্পর্ক

আবৃত্তিৰ লগত শ্বাস-প্রশ্বাসৰ সম্পর্ক অতি নিবিড়। আবৃত্তি কৰোঁতে সঠিকভাৱে শ্বাস-প্রশ্বাস নিয়ন্ত্রণ কৰিব নাজানিলে আবৃত্তি কৰা কবিতাই কেতিয়াও প্রাণ পাব নোৱাৰে। শ্বাস-প্রশ্বাসৰ অনিয়ন্ত্রিত প্রবাহে কবিতা এটাক প্রকৃত অর্থত আবেদনশূন্য কৰি তুলিব পাৰে। কাৰণ, ই কেতিয়াও কবিতা এটাৰ ৰস, ভাৱ, ছন্দ, লয়ক ধৰি ৰাখিব নোৱাৰে। অর্থৰ বিৰোধ ঘটাই শ্রুতি মাধুর্যহীনহে কৰি তোলে। য'ত শ্ৰোতাই বিৰক্তি অনুভৱ

কৰে। শ্বাস-প্ৰশ্বাসৰ অনিয়ন্ত্ৰিত প্ৰবাহে আবৃত্তি কৰা কবিতাৰ শব্দ স্খলন ঘটাই আবৃত্তিকাৰক নিজ লক্ষ্যত উপনীত হোৱাত অন্তৰায় স্বৰূপ হয়। আবৃত্তিকাৰ যিমানেই সুন্দৰ কণ্ঠৰ অধিকাৰী নহওক কিয় অনুষ্ঠান পৰিৱেশনৰ সময়ত চুটি উশাহে সকলো শ্ৰম পণ্ড কৰি দিব পাৰে। এজন সফল আবৃত্তিকাৰে বিষয়ৰ ভাৱৰ সৈতে মিলাই, ছন্দ, যতি, তাল, লয়ৰ অনুগামী হৈ য'ত নিশ্বাস বৈ গ'লে শুনিবলৈ শুৱলা লগতে বিষয়ৰ ভাবো শ্ৰোতাই উপভোগ কৰিব পাৰে তেনেদৰেই একেটা উশাহৰ প্ৰবাহ লৈ যাব পাৰিব লাগিব। তেতিয়াহে কবিতাৰ অৰ্থও সুন্দৰভাৱে প্ৰকাশ পোৱাৰ লগতে শ্ৰোতাৰো সহজে বোধগম্য হ'ব। আবৃত্তিৰ মূল উদ্দেশ্য শ্ৰোতাক আনন্দ দান কৰা। গতিকে, স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে বিষয়ৰ প্ৰতিটো ধ্বনি শ্ৰোতাৰ কৰ্ণগোচৰ কৰিব পাৰিব লাগিব লগতে বিষয়টোৰ অৰ্থ ভাব ও সৌন্দৰ্য আয়ত্তত শ্ৰোতাক সহায় কৰিব পাৰিব লাগিব।

শ্বাস-প্ৰশ্বাসক নিয়ন্ত্ৰণত ৰাখিবৰ বাবে আবৃত্তিকাৰ এজনে প্ৰাণায়াম কৰাটো অতি জৰুৰী। প্ৰাণায়াম (Process of expantion of the life breath) এক প্ৰকাৰ ব্যায়াম। প্ৰাণৰ আয়াম বা বিস্তাৰৰ নামেই প্ৰাণায়াম। প্ৰাণায়াম অভ্যাসৰ দ্বাৰা হাওঁফাওঁ, হৃদযন্ত্ৰ প্ৰভৃতি বায়ু গ্ৰন্থিবিলাক সবল হয়। হাওঁফাওঁ বা ফুচ্‌ফুচ্‌ৰ বায়ু ধাৰণ ক্ষমতা বাঢ়ে। দীৰ্ঘ সময় ধৰি শ্বাস গ্ৰহণ আৰু শ্বাস বৰ্জনৰ (Deep breathing) দ্বাৰা দুৰ্বল শ্বাস-প্ৰশ্বাসক শক্তিশালী কৰিব পাৰি। যি আবৃত্তিকাৰৰ বাবে অত্যন্ত প্ৰয়োজনীয়। অতিৰিক্ত শ্বাসৰ বাবে অনুশীলনেহে সহায় কৰে। স্বাভাৱিকভাৱে শ্বাস গ্ৰহণ আৰু নিশ্বাস ত্যাগৰ অভ্যাস আয়ত্ত কৰাটো আবৃত্তিকাৰৰ বাবে নিতান্ত প্ৰয়োজন।

শ্বাস-প্ৰশ্বাসক মূলতঃ তিনিটা ভাগত ভাগ কৰা হয়।

(ক) প্ৰবাহমূলক ঃ আমি স্বাভাৱিকভাৱে গ্ৰহণ আৰু নিৰ্গমন কৰা শ্বাস-প্ৰশ্বাসৰ এটা প্ৰকাৰ হ'ল প্ৰবাহমূলক শ্বাস। মানুহে সাধাৰণভাৱে সকলো সময়তে নাকেৰে শ্বাস গ্ৰহণ কৰা কাৰ্যকে টাইডাল ব্ৰীড্ বোলে।

(খ) অৱশিষ্ট ঃ ইও শ্বাস নিশ্বাসৰে এটা প্ৰকাৰ। স্বাভাৱিকভাৱে শ্বাস গ্ৰহণ কৰি নাকেৰে নিশ্বাস এৰি দিয়াৰ পিছতো দুই হাওঁফাওঁত যি অৱশিষ্ট বতাহ থাকে তাকে ৰেচিডুৱেল বোলে।

(গ) অনুপূৰক ঃ গায়ক, বক্তা, অভিনেতা বা আবৃত্তিকাৰ অথবা শ্ৰমজীৱী মানুহে কঠিন কাম কৰোঁতে যি অতিৰিক্ত বতাহ শ্বাসৰ লগে লগে গ্ৰহণ কৰে তাকে অনুপূৰক বোলে। ইংৰাজীত যাক চাপ্লিমেণ্টেল ব্ৰীড্ বোলে।